পাঠ-১০

# পৰিৱেশ প্ৰদূষণ

জীৱ, বায়ু, পানী, মাটি আদি লগ লাগি আমাৰ পৰিৱেশ গঠিত হৈছে। বায়ু, পানী আৰু মাটি নাথাকিলে কোনো জীৱই জীয়াই থাকিব নোৱাৰে। নিৰ্দিষ্ট পৰিমাণত থকা কিছুমান বিশেষ উপাদানেৰে বায়ু, পানী আৰু মাটি গঠিত। উদাহৰণস্বৰূপে— নাইট্ৰ'জেন, অক্সিজেন, কাৰ্বন-ডাই-অক্সাইড আদি বিভিন্ন গেছ বায়ুত মিহলি হৈ থাকে। এই উপাদানবোৰ সঠিক পৰিমাণে থাকিলে বায়ু নিৰ্মল হৈ থাকে। কেতিয়াবা বায়ু, পানী আৰু মাটিত কিছুমান নাথাকিবলগীয়া বাহিৰা পদাৰ্থ সোমায়হি। এনে অৱস্থাত আমাৰ পৰিৱেশৰ বায়ু, পানী আৰু মাটিৰ **প্ৰদূষণ** হোৱা বুলি কোৱা হয়। যিবোৰ নাথাকিবলগীয়া বাহিৰা বস্তুৰ বাবে পৰিৱেশ প্ৰদূষিত হয় সেইবোৰেই হৈছে **প্ৰদূষক**।


প্ৰথম ছবি


দ্বিতীয় ছবি


তৃতীয় ছবি

- প্ৰথমখন ছবিত গুৱাহাটী মহানগৰীৰ আৱৰ্জনাৰ দ'মে মাটি প্ৰদূষিত কৰা দেখুওৱা হৈছে।
- দ্বিতীয়খন ছবিত গুৱাহাটী মহানগৰীৰ মাজেৰে বৈ যোৱা ভৰলু নৈৰ পানী মহানগৰীৰ আৱৰ্জনাই প্ৰদূষিত কৰা দেখুওৱা হৈছে।
- তৃতীয়খন ছবিত কাগজ বা কোক উদ্যোগৰ চিমনীৰ পৰা ওলোৱা ধোঁৱাই বায়ু প্ৰদূষিত কৰা দেখুওৱা হৈছে।

প্ৰদূষিত পৰিৱেশ মানুহ, উদ্ভিদ আৰু প্ৰাণীৰ বাবে অনুপযোগী হৈ পৰে। সেয়েহে পৰিৱেশ যাতে প্ৰদূষিত হ'ব নোৱাৰে এই বিষয়ে সকলোৱে সচেতন হোৱা উচিত।

➤ ছবিবোৰ চাই কি কি কাৰণত মাটি, পানী আৰু বায়ু প্ৰদূষিত হৈছে তাৰ এটাকৈ কাৰণ বহীত লিখা।

**তলত দিয়া ছবিখন ভালদৰে পৰ্যবেক্ষণ কৰি মাটি কিদৰে প্ৰদূষিত হয় আৰু প্ৰদূষিত হোৱাৰ ফলত কি হয় তাক বুজোঁ আহা—**




- মাটি প্ৰদূষণৰ এটা প্ৰধান কাৰণ হৈছে মাটিত ৰাসায়নিক সাৰৰ প্ৰয়োগ। অধিক শস্য উৎপাদনৰ বাবে ৰাসায়নিক সাৰ ব্যৱহাৰ কৰাৰ ফলত খাদ্যৰ উৎপাদন বৃদ্ধি পায় যদিও ইয়াৰ ফলত মাটিৰ গুণাগুণ নষ্ট হয়।
- শাক-পাচলিৰ পেলনীয়া অংশ, ঘৰুৱা আৱৰ্জনা, পেলনীয়া খাদ্য, মলমূত্ৰ আদি আৱৰ্জনাবোৰ মাটিত য'তে ত'তে পেলোৱাৰ ফলত সেইবোৰ গেলি পচি গৈ নানা বীজাণুৰ সৃষ্টি হৈ মাটি প্ৰদূষিত কৰে।
- উদ্যোগসমূহৰ পৰা ওলোৱা আৱৰ্জনাবোৰ মাটিত দ'ম কৰাৰ ফলত মাটিৰ উৰ্বৰতা নষ্ট হয়।
- টিন আৰু প্লাষ্টিকজাতীয় বস্তু সহজে পচি মাটিত মিহলি হৈ নাযায়। সেইবাবে এইবোৰ মাটিত একেধৰণে থাকি মাটি প্ৰদূষিত কৰে।
- খেতিপথাৰত শস্য অনিষ্টকাৰী কীট-পতংগ নাশ কৰিবলৈ ৰাসায়নিক কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰা হয়। এইবোৰ উদ্ভিদৰ যোগেদি জীৱৰ দেহত প্ৰৱেশ কৰি স্বাস্থ্যৰ ক্ষতিসাধন কৰে।এই দ্ৰব্যৰ ব্যৱহাৰৰ ফলত মাটিত থকা অণুজীৱবোৰৰ মৃত্যু হয়।

**তোমালোকে বজাৰ কৰিবলৈ গ'লে কাপোৰ নাইবা মৰাপাটৰ বেগ লগত লৈ যোৱাৰ অভ্যাস কৰিবা। কাৰণ এইবোৰে আৱৰ্জনাৰ সৃষ্টি নকৰে। এইবোৰ বাৰে বাৰে ব্যৱহাৰ কৰিব পৰা যায়।**



**দলগত কাৰ্য—**

বিদ্যালয়ত মধ্যাহ্ন ভোজনত ওলোৱা আৱৰ্জনাবোৰেৰে পচনসাৰ প্ৰস্তুত কৰা। পচনসাৰৰ গাঁতত প্লাষ্টিকৰ বটল, টিন আদি নেপেলাবা। (শিক্ষকে সহায় কৰিব)

**ঘৰৰ বা বিদ্যালয়ৰ আৱৰ্জনাবোৰ য'তে ত'তে নেপেলাই গাঁত খান্দি, গাঁতত পেলোৱা উচিত। এনে কৰিলে চৌপাশৰ পৰিবেশ পৰিষ্কাৰ হৈ থকাৰ লগতে উদ্ভিদৰ বাবে উপযোগী পচনসাৰ প্ৰস্তুত হ'ব।**

➤ তোমালোকৰ অঞ্চলত মাটি প্ৰদূষণ হৈছে বুলি ভাবানে? যদি ভাবা তাৰ কাৰণবোৰ লিখা।

**মাটি প্ৰদূষণ কেনেকৈ কিছু পৰিমাণে ৰোধ কৰিব পাৰি জানি লওঁ আহা—**

- উদ্যোগসমূহৰ পৰা ওলোৱা আৱৰ্জনাবোৰ পেলাই দিয়াৰ আগতে সেইবোৰৰ পৰা বিষাক্ত দ্ৰব্যবোৰ আতৰ কৰিব লাগে যাতে মাটি প্ৰদূষিত হ'ব নোৱাৰে।
- ৰাসায়নিক সাৰৰ পৰিৱৰ্তে পচন সাৰ, কেঁচু সাৰ আদি জৈৱিক সাৰ ব্যৱহাৰ কৰি মাটি প্ৰদূষণ ৰোধ কৰিব পাৰি।
- ৰাসায়নিক কীটনাশক দ্ৰব্যৰ সলনি ধোঁৱা, চিত্ৰনলা, নিমপাত আদি প্ৰাকৃতিক পদ্ধতি ব্যৱহাৰ কৰি মাটি প্ৰদূষণ ৰোধ কৰিব পাৰি।
- জৈৱিক আৱৰ্জনাসমূহ য'তে ত'তে পেলাব নালাগে। এইবোৰেৰে জৈৱ গেছ প্ৰস্তুত কৰি ইন্ধন হিচাপে ব্যৱহাৰ কৰিব পাৰি। ইয়াৰ ফলত মাটি প্ৰদূষণৰ মাত্ৰা কিছু পৰিমাণে কমিব।

**পেলনীয়া জাবৰ-জোঁথৰেৰে কেঁচুসাৰ প্ৰস্তুত প্ৰণালী—**

কেঁচুসাৰ প্ৰস্তুত কৰিবৰ বাবে প্ৰথমতে ৩০ ছেঃমিঃ মান দ গাত এটা খান্দি ল'ব লাগে। গাঁত খন্দা ঠাইখিনি বেছি ৰ'দ পৰা নাইবা বেছি চেঁচা হ'ব নালাগে কাৰণ বেছি গৰম নাইবা বেছি ঠাণ্ডা ঠাইত কেঁচু থাকিব নোৱাৰে। গাঁতটোৰ একেবাৰে তলৰ অংশত বালিৰ এটা ডাঠ তৰপ দিব লাগে। কেঁচুৰ খাদ্যৰ বাবে ফল-মূলৰ বাকলি, শাক-পাচলিৰ পেলনীয়া অংশ, তুঁহ আদি দি গাঁতটোৰ কিছু অংশ পূৰাব লাগে। এই আৱৰ্জনাবোৰ সেমেকি থাকিবৰ বাবে অলপ পানী ছটিয়াই দিব লাগে। চাব লাগিব যাতে গাঁতটো পানীৰে উপচি নপৰে। এতিয়া গাঁতটোত কিছুসংখ্যক কেঁচু এৰি দিব লাগে। গাঁতটো ঘাঁহ-বন বা পুৰণা পাতল কাপোৰেৰে এনেদৰে ঢাকি দিব লাগে যাতে বায়ু চলাচল হ'ব পাৰে।



তিনি চাৰি সপ্তাহৰ পিছত গাঁতটো ভালদৰে পৰ্যবেক্ষণ কৰিলে কেঁচুমতাৰে ভৰি থকা দেখা যাব। কেঁচুমতা হ'ল কেঁচুৰ বিষ্ঠা। কেঁচুৰ বিষ্ঠা এক প্ৰকাৰৰ উৎকৃষ্ট জৈৱিক সাৰ। এই সাৰ শাক-পাচলিৰ খেতি, ফুলৰ বাগিচা, ফুলৰ টাব আদিত দিলে গছবোৰ লহপহকৈ বাঢ়ে। এইদৰে ঘৰৰ আৱৰ্জনাবোৰ য'ত-ত'তে নেপেলাই পুনৰ ব্যৱহাৰ কৰি মাটি প্ৰদূষণ কিছু পৰিমাণে ৰোধ কৰিব পাৰি।

পানী আমাৰ অমূল্য প্ৰাকৃতিক সম্পদ। পানীৰ অবিহনে কোনো জীৱই জীয়াই থাকিব নোৱাৰে। পৃথিৱীৰ উপৰিভাগৰ সৰহ অংশই পানীৰে আবৰি আছে। পৃথিৱীৰ উপৰিভাগৰ পানীৰ ১০০ ভাগৰ ৯৭ ভাগেই হৈছে সাগৰ-মহাসাগৰৰ পানী। বাকী ৩ ভাগ নৈ, জান, জুৰি, বিল আৰু ভূ-গৰ্ভৰ পানী। এই তিনিভাগ পানীয়েই আমাৰ ব্যৱহাৰৰ বাবে উপযোগী। সেইবাবে পানী যাতে অবাবত নষ্ট নহয় তাৰ বাবে আমি সকলোৱে সচেতন হ'ব লাগে।

**প্ৰদূষিত পানীয়ে কিদৰে বিভিন্ন দিশত প্ৰভাৱ পেলাইছে তাক জানোঁ আহা —**



- উদ্যোগবোৰৰ পৰা বাহিৰ হোৱা ৰাসায়নিক পদাৰ্থ নৈ, জান-জুৰি আদিৰ পানীত মিহলি হৈ পানী প্ৰদূষিত কৰে। পানী প্ৰদূষণৰ ফলত পানীত থকা মাছকে ধৰি জলজ জীৱবোৰ ৰোগাক্ৰান্ত হৈ মৃত্যুমুখত পৰে। এই ৰোগাক্ৰান্ত মাছবোৰ খোৱাৰ ফলত মানুহ, প্ৰাণী আৰু চৰাইৰ দেহত নানান বেমাৰ আজাৰ হয়।
- জান-জুৰি, নদ-নদী, পুখুৰী আদিৰ পানী মানুহৰ দৈনন্দিন কাৰ্য যেনে—গা-ধোৱা, কাপোৰ ধোৱা, শৌচ-প্ৰস্ৰাৱ কৰা, বাচন-বৰ্তন ধোৱা, জাবৰ-জোঁথৰ পেলোৱাৰ ফলত প্ৰদূষিত হয়। এনেকুৱা দূষিত পানী মানুহে খোৱাৰ ফলত কলেৰা, টাইফয়দ, জণ্ডিছ, গ্ৰহণী আদি ৰোগত ভোগে। কেতিয়াবা এইবোৰ বেমাৰত ভুগি মৃত্যুৰ মুখতো পৰিব লগা হয়।
- আধুনিক কৃষিকাৰ্যত ব্যৱহাৰ কৰা নানা ধৰণৰ ৰাসায়নিক সাৰৰ কিছু অংশ অৱশিষ্ট হিচাপে মাটিত ৰৈ যায়। এইবোৰ বৰষুণৰ পানীৰ লগত ভূ-গৰ্ভত প্ৰৱেশ কৰি ভূ-গৰ্ভৰ পানীৰ উৎস প্ৰদূষিত কৰে। ইয়াৰ উপৰি বৰষুণৰ পানীয়ে এইবোৰ উটুৱাই নি নৈ, বিল, জান-জুৰি আদিৰ পানী প্ৰদূষিত কৰে। ফলত বহুতো জলজ প্ৰাণী মৃত্যুমুখত পৰে।



- একেৰাহে বহুত দিন ধৰি বৰষুণ দি থাকিলে নৈ-উপনৈসমূহৰ পানী বাঢ়ে। ফলত বাঢ়নী পানীয়ে বানপানীৰ সৃষ্টি কৰে। বানপানীৰ সময়ত উটি অহা জাবৰ-জোঁথৰ, মৃত জীৱ আদিয়ে পানী প্ৰদূষিত কৰে। এই প্ৰদূষিত পানীয়ে নানাবিধ বীজাণু কঢ়িয়াই আনে। খোৱাপানীৰ লগত মিহলি হৈ এইবোৰ বীজাণু জীৱদেহত প্ৰৱেশ কৰিলে নানান ৰোগৰ সৃষ্টি হ'ব পাৰে।

➤ তোমালোকৰ অঞ্চলত পানীৰ উৎসসমূহ কি কি কাৰণে প্ৰদূষিত হ'ব পাৰে বুলি ভাবা? দলত আলোচনা কৰি লিখা।



**কি কি ব্যৱস্থা গ্ৰহণ কৰিলে পানী প্ৰদূষণ কিছু পৰিমাণে ৰোধ কৰিব পৰা যায় ... জানি লওঁ আহা—**

- উদ্যোগসমূহৰ পৰা ওলোৱা আবৰ্জনাবোৰৰ পৰা ৰাসায়নিক দ্ৰব্যবোৰ আঁতৰ কৰি পানী প্ৰদূষণ বহু পৰিমাণে ৰোধ কৰিব পাৰি।
- নৈ, নিজৰা, খাল-বিল, পুখুৰী আদিৰ পানীত গা-ধোৱা, কাপোৰ ধোৱা, শৌচ-প্ৰস্ৰাৱ কৰা আদি কাৰ্যৰ পৰা বিৰত থাকিব লাগে। এনেবোৰ কাৰ্য ৰাজহুৱাভাৱে বৰ্জন কৰি পানী প্ৰদূষণ বহু পৰিমাণে ৰোধ কৰিবপাৰি।



- আধুনিক কৃষি পদ্ধতিত ৰাসায়নিক সাৰৰ সলনি জৈৱিক সাৰ ব্যৱহাৰ কৰি পানী প্ৰদূষণ কিছু পৰিমাণে ৰোধ কৰিব পাৰি।

**বিদ্যালয়ত কৰিব পৰা কিছুমান কাৰ্য—**

— বিদ্যালয়ৰ খোৱা পানীৰ উৎস আৰু ইয়াৰ চৌপাশ পৰিষ্কাৰ কৰি ৰখা।

— পানীৰ ব্যৱস্থা নথকা বিদ্যালয়ত বৰষুণৰ পানী সংৰক্ষণৰ ব্যৱস্থা কৰা।

— বিদ্যালয়ৰ বিভিন্ন কাম-কাজৰ বাবে যথাস্থানত পানী ৰখাৰ ব্যৱস্থা কৰা।

**দেখাত পৰিষ্কাৰ হ'লেও সকলো পানী খোৱাৰ বাবে উপযোগী নহ'বও পাৰে। বিভিন্ন উৎসৰ পৰা অনা পানীত চকুৰে নেদেখা নানা প্ৰকাৰৰ বীজাণু বা অপকাৰী অণুজীৱ মিহলি হৈ থাকিব পাৰে। এনে পানী খোৱাৰ ফলত আমাৰ বিভিন্ন ৰোগ হ'ব পাৰে।**

বায়ু পৰিৱেশৰ এটা গুৰুত্বপূৰ্ণ উপাদান। বায়ুত থকা অক্সিজেন গেছৰ অবিহনে কোনো জীৱই জীয়াই থাকিব নোৱাৰে। নিৰ্মল বায়ুয়ে এক সুস্থ পৰিৱেশৰ সৃষ্টি কৰে। কিন্তু মানুহৰ কিছুমান ক্ৰিয়াকলাপৰ ফলত বায়ু দূষিত হয়। কেতিয়াবা অৱশ্যে প্ৰাকৃতিক কাৰণতো বায়ু দূষিত হ'ব পাৰে।

**বায়ু প্ৰদূষণৰ কাৰণসমূহ কি কি তাৰে কিছুমানৰ বিষয়ে জানি লওঁ আহা—**





- খৰি, কয়লা আদি ইন্ধনবোৰ জ্বলালে বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইড গেছ বাঢ়ি যায়। এই গেছ প্ৰাণীৰ বাবে অনুপযোগী। বায়ুমণ্ডলত এই গেছ বেছি হ'লে প্ৰাণীৰ ক্ষতিসাধন হয়।
- নগৰ-চহৰৰ আবৰ্জনা, মল-মূত্ৰ, মৃত জীৱ আদি য'তে-ত'তে পেলোৱাৰ ফলত এইবোৰ গেলি-পচি বায়ু প্ৰদূষিত কৰে।
- উদ্যোগৰ পৰা ওলোৱা বিষাক্ত গেছ আৰু গাড়ী-মটৰ চলালে এইবোৰৰ পৰা নিৰ্গত হোৱা ধোঁৱাই বায়ু প্ৰদূষিত কৰে।
- বনজুইৰ ফলত সৃষ্টি হোৱা বায়ু প্ৰদূষণে পৰিৱেশৰ ওপৰত প্ৰভাৱ পেলায়।

➢ তোমালোকৰ অঞ্চলত বায়ু প্ৰদূষণ হৈছে বুলি ভাবানে? যদি হৈছে তাৰ কাৰণবোৰ লিখা।

**বায়ু প্ৰদূষণ ৰোধ কৰাৰ বাবে লোৱা কিছুমান ব্যৱস্থাৰ বিষয়ে জানি লওঁ আহা—**

- পৰাপক্ষত যান-বাহনৰ ব্যৱহাৰ কম কৰা উচিত। যান-বাহনৰ পৰা ওলোৱা ধোঁৱাৰ প্ৰদূষণ ৰোধ কৰাৰ বাবে যান-বাহনত প্ৰদূষক নিয়ন্ত্ৰক ফিল্টাৰ লগাব লাগে।
- উদ্যোগৰ পৰা বাহিৰ হোৱা ধোঁৱাত কাৰ্বন-ডাই-অক্সাইডকে ধৰি বিভিন্ন ধৰণৰ বিষাক্ত গেছ থাকে। এইবোৰ আঁতৰাবৰ বাবে এক বিশেষ ধৰণৰ প্ৰদূষক নিয়ন্ত্ৰক ফিল্টাৰ তৈয়াৰ কৰা হৈছে। এনে ব্যৱস্থা উদ্যোগসমূহত থকা উচিত। উদ্যোগৰ পৰা ধোঁৱা ওলোৱা চিমনিবোৰ বহু ওখকৈ সাজিও বায়ু প্ৰদূষণ কমাব পাৰি।
- উদ্যোগৰ ওচৰে-পাজৰে যথেষ্ট বৃক্ষ ৰোপণ কৰিব লাগে। উদ্ভিদে উদ্যোগৰ পৰা ওলোৱা কাৰ্বন-ডাই-অক্সাইড গেছৰ পৰিমাণ হ্ৰাস কৰি বায়ু নিৰ্মল কৰে। গছৰ পাতে বায়ুত থকা ধূলিকণা ধৰি ৰাখি প্ৰদূষণ কমায়।
- কয়লা, পেট্ৰ'ল, ডিজেল, কেৰাচিন আদিৰ পৰিৱৰ্তে সৌৰ শক্তি, গোবৰ গেছ আদি ইন্ধন হিচাপে ব্যৱহাৰ কৰিব পাৰে।

**যান-বাহন, উদ্যোগ আদিত প্ৰদূষণ নিয়ন্ত্ৰক ফিল্টাৰ নলগোৱাটো আইনমতে দণ্ডনীয়। প্ৰদূষক নিয়ন্ত্ৰক বোৰ্ডে প্ৰদূষণমুক্ত বুলি স্বীকৃতি দিয়া যান-বাহনহে চলাব লাগে।**

- আৱৰ্জনা পেলোৱা ডাষ্টবিন, টিন আদি ঢাকি ৰাখিব লাগে আৰু সঘনাই চাফা কৰি ৰাখিব লাগে।
- কিছুমান বস্তু ব্যৱহাৰ কৰাৰ পিছত গোটা আৱৰ্জনাৰ সৃষ্টি হয়। যেনে — ভগা যন্ত্ৰপাতি, খালী হোৱা টুথপেষ্টৰ টিউব, বটল, পলিথিনৰ বেগ, প্লাষ্টিকৰ ভঙা বস্তু ইত্যাদি। কিয়নো এইবোৰ মাটিৰ লগত কেতিয়াও মিহলি হৈ নাযায় আৰু এইবোৰ জ্বলালে বায়ু প্ৰদূষিত হয়। সেইবাবে এইবোৰৰ পুনৰাবৰ্তন বা পুনৰ ব্যৱহাৰৰ ব্যৱস্থা কৰিও বায়ু প্ৰদূষণ কিছু পৰিমাণে ৰোধ কৰিব পাৰি।

**পুনৰাবৰ্তন হ'ল এনে এক প্ৰক্ৰিয়া য'ত ব্যৱহাৰৰ অযোগ্য ভঙা-ছিঙা বস্তুবোৰ যান্ত্ৰিক পদ্ধতিৰে পুনৰ ব্যৱহাৰৰ উপযোগী বস্তুলৈ পৰিৱৰ্তন কৰা হয়। এনে ব্যৱস্থাৰ ফলত পৰিবেশত আৱৰ্জনাৰ মাত্ৰা কমি যায় আৰু পৰিবেশ নিকা হয়। এই পুনৰাবৰ্তন প্ৰক্ৰিয়াৰে পৰিবেশ প্ৰদূষণ ৰোধ কৰিব পাৰি।**

**ক্ৰিয়াকলাপ**

ঘৰুৱা আৱৰ্জনা যেনে— টিন, লো, প্লাষ্টিক, বটল আদি সংগ্ৰহ কৰিবলৈ অহা ব্যক্তিক সুধি তলৰ তথ্যখিনি সংগ্ৰহ কৰি বহীত লিখা।

➢ এই আৱৰ্জনাবোৰ ক'লৈ লৈ যোৱা হয়?

➢ এইবোৰ কি কি কামত লগোৱা হয়?



## অনুশীলনী

১। উত্তৰ লিখা—

(ক) প্ৰদূষণ কাক বোলে?

(খ) দুবিধ জৈৱিক সাৰৰ নাম লিখা।

(গ) মাটি প্ৰদূষণ প্ৰতিৰোধ কৰা এটা উপায় উল্লেখ কৰা।

২। খালী ঠাই পূৰ কৰা—

(ক) ৰাসায়নিক সাৰৰ পৰিৱৰ্তে ________ সাৰ ব্যৱহাৰ কৰি মাটি প্ৰদূষণ ৰোধ কৰিব পাৰি।

(খ) ________ এবিধ উৎকৃষ্ট জৈৱিক সাৰ।

(গ) ইন্ধনবোৰ জ্বলালে বায়ুমণ্ডলৰ ________ গেছ বাঢ়ি যায়।

(ঘ) গছৰ পাতে বায়ুত থকা ________ ধৰি ৰাখি বায়ুৰ প্ৰদূষণ কমায়।

(ঙ) বায়ুমণ্ডলত ________ গেছ বেছি হ'লে প্ৰাণীৰ বিস্তৰ ক্ষতিসাধন হয়।

৩। অশুদ্ধ বাক্যবোৰ শুদ্ধকৈ লিখা—

(ক) কাঠ, কয়লা আদি ইন্ধনবোৰ জ্বলালে বায়ুমণ্ডলৰ কাৰ্বন-ডাই-অক্সাইড গেছৰ প্ৰয়োজন হয়।

(খ) বায়ু প্ৰদূষণ ৰোধ কৰিবৰ বাবে য'তে ত'তে আৱৰ্জনা পেলাব লাগে।

(গ) পুনৰাবৰ্তন প্ৰক্ৰিয়াৰে পৰিৱেশ প্ৰদূষণ ৰোধ কৰিব পাৰি।

(ঘ) জৈৱিক সাৰৰ পৰিৱৰ্তে ৰাসায়নিক সাৰ ব্যৱহাৰ কৰিলে মাটি প্ৰদূষণ ৰোধ কৰিব পাৰি।

(ঙ) দূষিত পানী খালে কলেৰা, টাইফয়েদ আদি ৰোগ হয়।

৪। পুনৰাবৰ্তন বুলিলে কি বুজা?

৫। মাটিৰ গুণাগুণ কিয় নষ্ট হয় তাৰ কাৰণবোৰ লিখা।

৬। পানী প্ৰদূষণ কিদৰে ৰোধ কৰিব পাৰি?

৭। বায়ু প্ৰদূষিত হোৱাৰ চাৰিটা কাৰণ লিখা।

৮। প্ৰাকৃতিক পদ্ধতিৰে কিদৰে শস্য অনিষ্টকাৰী কীট-পতংগ নাশ কৰিব পাৰি?

৯। উদ্যোগৰ পৰা ধোঁৱা ওলোৱা চিমনিবোৰ ওখকৈ কিয় সাজিব লাগে?

১০। চমুকৈ লিখা—

(ক) পচন সাৰ (খ) জৈৱ গেছ (গ) প্ৰদূষক